অধ্যায় ৬ ঃ স্বপ্নবাসবদত্তম্ (ষষ্ঠ অংক)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ ষষ্ঠ অংকৰ নিৰ্বাচিত অংশৰ মূল সংস্কৃত পাঠ

৬.৩.১ কাঞ্চুকীয় ধাত্ৰী আৰু প্ৰতীহাৰীৰ প্ৰৱেশৰ পৰা অংগাৰবতীৰ বাৰ্তা প্ৰদান পৰ্য্যন্ত দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

৬.৩.২ দ্বাদশ শ্লোকৰ পিছৰ পৰা পুনৰ্মিলন পৰ্য্যন্ত দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

৬.৪ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

৬.৪.১ কাঞ্চুকীয় ধাত্ৰী আৰু প্ৰতীহাৰীৰ প্ৰবেশৰ পৰা অংগাৰবতীৰ বাৰ্তা প্ৰদান পৰ্য্যন্ত

৬.৪.২ দ্বাদশ শ্লোকৰ পিছৰ পৰা পুনৰ্মিলন পৰ্য্যন্ত

৬.৫ উদয়ন আৰু বাসবদত্তাৰ পুনৰ্মিলনৰ দৃশ্যৰ বৰ্ণনা

৬.৬ নাটকখনত ষষ্ঠ অংকৰ গুৰুত্ব

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্ৰগতিৰ খতিয়ান

৬.১০ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বপ্নবাসবদত্তম্ নামৰ নাটকখনিৰ ষষ্ঠ তথা শেষ অংকটিৰ পূৰ্বৰ অধ্যায়সমূহৰ দৰেই কেইটিমান দৃশ্যৰ মূল সংস্কৃত পাঠসমূহ জানিব পাৰিব
- উক্ত সংস্কৃত পাঠৰ অসমীয়া অৰ্থসমূহো জানিবলৈ সক্ষম হ'ব পাৰিব
- নাট্যকাৰে নায়ক নায়িকাৰ মিলন কিদৰে সংঘটিত কৰালে সেই সম্পৰ্কেও অৱগত হ'ব।

৬.২ পৰিচয়

ইয়াৰ পূৰ্ববৰ্তী অধ্যায়ত আপুনি 'স্বপ্নবাসবদত্তম্' নাটকখনৰ পঞ্চম অংকটিৰ এক স্পষ্ট ধাৰণা লাভ কৰিছে। সেই অংকটিৰ গুৰুত্বপূৰ্ণ দৃশ্যাংশৰ সংস্কৃত পাঠ আৰু লগতে তাৰ অৰ্থসমূহৰ লগতো পৰিচয় লাভ কৰিছে। সেই অংকৰ গুৰুত্বপূৰ্ণ স্বপ্ন দৃশ্যটিৰ বিশেষ ধাৰণাও লাভ কৰিছে।

এই অধ্যায়ত আপুনি নাটকখনৰ শেষ অর্থাৎ ষষ্ঠ অংকটিৰ বিষয়ে জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব। সামৰণিৰ অংক হিচাপে এই ষষ্ঠ অংকত যিসমূহ দৃশ্যই বিশেষ গুৰুত্ব আৰু তাৎপর্য বহন কৰিছে সেই দৃশ্যসমূহৰ এক সম্যক পৰিচয় ইয়াত সংস্কৃত পাঠ আৰু অসমীয়া অর্থৰ জৰিয়তে ডাঙি ধৰা হ'ব। নায়ক-নায়িকাৰ মিলন কিদৰে হ'ল এই অধ্যায়ত তাৰ স্পষ্ট ৰূপত আলোচনা কৰা হ'ব।

৬.৩.১ কাঞ্চুকীয় ধাত্রী আৰু প্রতীহাৰীৰ প্রৱেশৰ পৰা অংগাৰৱতীৰ বার্তা প্রদান পর্য্যন্ত দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

(ততঃ প্রৱিশতি কাঞ্চুকীয়ো ধাত্রী প্রতিহাৰী চ)

কাঞ্চুকীয় ঃ— ভোঃ।

সম্বন্ধিৰাজ্যসিদমেত্য মহান্ প্রহর্ষঃ
স্মৃত্বা পুনর্নৃপসুতানিধনং বিষাদঃ।
কিং নাম দৈব ! ভৱতা ন কৃতং যদি ম্যাদ্
ৰাজ্যং পৰৈৰপহৃতং কুশলং চ দেব্যাঃ।। ৫।।

প্রতীহাৰী— এষ ভর্তা। উপসর্পত্বার্যঃ।

কাঞ্চুকীয়ঃ— (উপেতা) জয়ত্বার্যপুত্রঃ।

ধাত্রী— জয়তু ভর্তা।

ৰাজা— (সবহু মানম্।) আর্য।

পৃথিব্যাং ৰাজবংশানামুদয়াস্তময়প্রভুঃ।
অপিৰাজা স কুশলী ময়া কাংক্ষিতবান্ধবঃ ।। ৬।।

কাঞ্চুকীয়ঃ— অথ কিম্? কুশলী মহাসেনঃ ইহাপি সর্বগতং কুশলং পৃচ্ছতি।

ৰাজা— (আসনাদুত্থায়) কিমাজ্ঞাপয়তি মহাসেনঃ?

কাঞ্চুকীয়— সদৃশমেতদ্ বৈদেহীপুত্রস্য। নন্বাসনস্থেনৈব ভৱতা শ্রোতব্যে মহাসেনস্য সন্দেশঃ।

ৰাজা— যদাজ্ঞাপয়তি মহাসেনঃ। (উপবিশতি)

কাঞ্চুকীয়ঃ দিষ্ট্যা পৰৈৰপহৃতং ৰাজ্যং পুনঃ প্রত্যানীতমিতি। কুতঃ?
কাতৰা যেহপ্যশক্তা বা নোৎসাহস্তেষু জায়তে।
প্রায়েণ হি নৰেন্দ্রশ্রীঃ সোৎমাহৈৰের ভুজ্যতে।।

ৰাজা— আর্য। সর্বমেতন্মহাসেনস্য প্রভাৱঃ। কুতঃ?

অহমৰজিতঃ পূর্বং তাৱৎ সুতং চ লালিতো
দৃঢ়মপহৃতা কন্যা ভূয়ো ময়া চ ৰক্ষিতা।
নিধনমপি চ শ্রুত্বা তস্যাস্তথৈৰ ময়ি স্বতা

ননু যদুচিতান্ বৎসান্ প্রাপ্তুং নৃপোহত্র হি কাৰণম্।। ৮।।

কাঞ্চুকীয়ঃ— এ, মহাসেনস্য সন্দেশঃ। দেব্যাঃ সন্দেশমিহাত্রভৱতী কথয়িষ্যতি।

ৰাজা— হা অম্ব !

ষোডশান্তঃ পুৰজ্যেষ্ঠা পুণ্যা নগৰদেৱতা।
মম প্রৱাসদুঃখার্তা মাতা কুশলিনী ননু? ।। ৯।।

ধাত্রী— অৱোগা ভট্টিনী ভর্তাৰং সর্বগতং কুশলং পৃচ্ছতি।

ৰাজা— সর্বগতং কুশলমিতি। অম্ব ! ঈদৃশং কুশলম্?

ধাত্রী— মেদানীং ভর্তাতিমাত্রং সংতপ্তুম্।

কাঞ্চুকীয়ঃ— ধাৰয়ত্বার্যপুত্রঃ। উপৰতাপ্যনুপৰতা মহাসেনপুত্রী এবমনুকম্পমানার্যপুত্রেণ। অথবা,

কঃ কং শক্তো ৰক্ষিতুং মৃত্যুকালে ৰজ্জুচ্ছেদে কে ঘটং ধাৰযন্তি।
এবং লোকস্তুল্যধর্মো বনানাং কালে কালে ছিদ্যতে ৰুহ্যতে চ।।

ৰাজা— আর্য ! মা মৈৰম্,

মহাসেনস্য দুহিতা শিষ্যা দেৱী চ নে ক্রিয়া।
কথং সা ন ময়া শক্যা স্মর্তুং দেহান্তৰেষ্বপি।। ১।।

ধাত্রী— আহ ভট্টিনী— 'উপৰতা বাসবদত্তা। মম ৱা মহাসেনস্য বা যাদৃশৌ গোপালপালকৌ তাদৃশ এব ত্বং প্রথমমেবাভিপ্রেতো জামাতেতি। এতন্নিমিত্ত মুজ্জয়িনীমানীতঃ অনগ্নিমাক্ষিকং বীণাব্যপদেশেন দত্তা। আত্মনশ্চপলতয়ানির্বৃত্তবিবাহ মঙ্গল এৱ গতঃ অথ চাৱাভ্যাং তৱ চ বাসবদত্তায়াশ্চ প্রতিকৃতিং চিত্রফলকায়ামালিখ্য বিবাহো নির্বৃত্তঃ। এষা চিত্রফলকা তৱ সকাশং প্রেষিতা। এতাং দৃষ্ট্বা নির্বৃতো ভৱ।'

ৰাজা— অহো ! অতিস্নিগ্ধমনুৰূপং চাভিহিতং তত্রভৱত্যা।

বাক্যনেতৎ প্রিয়তৰং ৰাজ্যলাভশতাদপি।
অপৰাদ্ধেষ্বপি স্নেহো যদস্মাসু ন বিস্মৃতঃ।। ১২।।

৬.৩.২ দ্বাদশ শ্লোকৰ পিছৰ পৰা পুনর্মিলন পর্যন্ত দৃশ্যাংশৰ মূল সংস্কৃত পাঠ

পদ্মাৱতী— আর্যপুত্র ! চিত্রগতং গুৰুজনং দৃষ্ট্বাভিবাদয়িতুমিচ্ছামি।

ধাত্রী— পশ্যতু পশ্যতু ভর্তৃদাৰক।

পদ্মাৱতী— (দৃষ্ট্বা আত্মগতম্।) হম্। অতিসদৃশী খল্বিয়মার্যায়া আৱন্তিকায়াঃ। (প্রকাশম্) আর্যপুত্র ! সদৃশী খল্বিয়মার্যায়াঃ।

ৰাজা— ন সদৃশী সৈতি মন্যে। ভোঃ। কষ্টম্,

অস্য স্নিগ্ধস্য বর্ণস্য বিপত্তির্দাৰুণা কথম্।
ইদং চ মুখমাধুর্যং কথং দূষিতমগ্নিনা?।। ১৩।।

পদ্মাৱতী— আর্যপুত্রস্য প্রতিকৃতিং দৃষ্ট্বা জানামীয়মার্যমা সদৃশী ন ৰেতি।

ধাত্রী— পশ্যতু পশ্যতু ভর্তৃদাৰিকা।

পদ্মাৱতী— (দৃষ্ট্বা) আর্যপুত্রস্য প্রতিকৃত্যাঃ সদৃশতয়া জানামীয়মার্যয়া সদৃশীতি।

ৰাজা— দেৰি ! চিত্রদর্শনাৎ প্রভৃতি প্রহৃষ্টোদ্বিগ্নামিব ত্বাং পশ্যামি। কিমিদম্?

পদ্মাৱতী— আর্যপুত্র ! অস্যাঃ প্রতিকৃত্যাঃ সদৃশীহৈৰ প্রতিৱসতি

ৰাজা— কিং বাসৱদত্তায়াঃ?

পদ্মাৱতী— আম্।

ৰাজা— তেন হি শীঘ্রমানীয়তাম্।

পদ্মাৱতী— আর্যপুত্র ! মম কন্যাভাবে কেনাপি ব্রাহ্মণেন মম ভগিনিকেতি ন্যাসো নিক্ষিপ্তঃ। প্রোষিতভর্তৃকা পৱপুৰুষদর্শনং পৰিহৱতি। তদার্যা পশ্যতু সদৃশী ন বেতি।

ৰাজা— যদি বিপ্রস্য ভগিনী ব্যক্তমন্যা ভৱিষ্যতি।

পৱম্পৱাগত লোকে দৃশ্যতে ৰূপতুলতা ।। ১৪।।

(প্রৱিশ্য)

প্রতীহাৰী— জয়তু ভর্তা। এষ উজ্জয়িনীয়ো ব্রাহ্মণো ভট্টিন্যা হস্তে মম ভগিনিকেতি ন্যাসো নিক্ষিপ্তঃ তং প্রতিগ্রহীতুং প্রতীহাৱমুপস্থিতঃ।

ৰাজা— পদ্মাৱতী। কিং নু স ব্রাহ্মণঃ?

পদ্মাৱতী— ভৱিতব্যম্।

ৰাজা— শীঘ্রং প্রবেশ্যতামভ্যন্তৱসমুদাচাৱেণ স ব্রাহ্মণঃ।

প্রতীহাৰী— যদ্ ভর্তাজ্ঞাপয়তি। (নিষ্ক্রান্তা)

ৰাজা— পদ্মাৱতী। ত্বমপি তামানয়।

পদ্মাৱতী— যদার্যপুত্র আজ্ঞাপয়তি। (নিষ্ক্রান্তা)

(ততঃ প্রৱিশতি যৌগন্ধৰায়ণঃ প্রতীহাৰী চ)

যৌগন্দৰায়ণঃ — আত্মগতম্) ভোঃ।

প্রচ্ছায় ৰাজমহিষীং নৃপতের্হিতার্থে
কামং ময়া কৃতমিদং হিতমিত্যবেক্ষ্য।
সিদ্ধেহপি নাম মম কর্মণি পার্থিৱোহসৌ
কিং বক্ষ্যতীতি হৃদয়ং পৰিশঙ্কিতংমে।। ১৫।।

প্রতীহাৰী— এম ভর্তা। উপসর্পত্বার্যঃ।

যৌগন্ধৰায়ন— (উপসৃত্য।) জয়তু ভৱান্ জয়তু।

ৰাজা— শ্রুতপূর্ব ইব স্বৱঃ ভো ব্রাহ্মণ ! কিং ভৱতঃ সুসা পদ্মাৱত্যা হস্তে ন্যাস ইতি নিক্ষিপ্তা?

যৌগন্ধৰায়ণঃ— অথ কিম?

ৰাজা— তেন হি ত্বর্যন্তাং ত্বর্যতামস্য ভগিনিকা।

প্রতীহাৰী — যদ্ ভর্তাজ্ঞাপয়তি। (নিষ্ক্রান্তা।)

(ততঃ প্রৱিশতি পদ্মাৱতী আৱন্তিকা প্রতীহাৰী চ)

পদ্মাৱতী— এত্বেত্বার্যা। প্রিয়ং তে নিবেদয়ামি।

আৱন্তিকা— কিং কিম্?

পদ্মাৱতী— ভ্রাতা তে আগতঃ।

আৱন্তিকা— দিষ্ট্যেদানীমপি স্মৱতি।

পদ্মাৱতী— (উপসৃতা) জয়ত্বার্যপুত্রঃ। এষ ন্যাসঃ।

ৰাজা— নির্যাতয় পদ্মাৱতি। অথবা সাক্ষিমন্ন্যাসো নির্ৱাতয়িতব্যঃ।

ইহাত্রভৱান্ ৱৈভ্যঃ অত্রভৱতী চাধিকৰণং ভৱিষ্যতঃ।

পদ্মাৱতী— আর্য। নীয়তানিদানীমার্যা।

ধাত্রী— (অৱন্তিকাং নির্ৱর্ণ্য) অম্মো ! ভর্তৃদাৰিকাৱাসৱদত্তা।

ৰাজা— কথং মহাসেনপুত্রী? দেৱি ! প্রৱিশ ত্বমভ্যন্তৰং পদ্মাৱত্যাসহ।

যৌগন্ধৰায়ণঃ — ন খলু ন খলু প্রৱেষ্টব্যম্। মম ভগিনী খল্ৱেষা।

ৰাজ্য— কিং ভৱানাহ— মহাসেনপুত্রী খল্ৱেষা?

যৌগন্ধৰায়ণঃ — ভো ৰাজন্।

ভাৱতানাং কুলে জাতো ৱিনিতো জ্ঞানৱাঞ্ছুচিঃ।

তন্নার্হসি ৱলাদ্ধর্তুং ৰাধর্মস্য দেশিকঃ।। ১৬।।

ৰাজা— ভৱতু পশ্যামস্তাৱদ্রূপসাদৃশ্যম্। সংক্ষিপ্যতাং যৱনিকা।

যৌগন্ধৰায়ণঃ— জয়তু স্ৱামী।

ৱাসৱদত্তা— জয়ত্বার্যপুত্রঃ

ৰাজা— অয়ে। অসৌ যৌগন্ধৰায়ণঃ। ইয়ং মহাসেনপুত্রী।

কাঞ্চুকীয় - মহাসেনৰ দ্ৱাৰা এইগৰাকী কাঞ্চুকীয়ক প্রেৰণ কৰাবলৈ তেওঁ ৱৈভ্যগোত্রীয় আছিল।

ধাত্রী — এইগৰাকী ধাত্রী মহাসেনৰ ৰানী অঙ্গাৱৱতীৰ দ্ৱাৰা প্রেৰণ কৰা হৈছিল। তেওঁ ৱাসৱদত্তাৰ ধাত্রী আছিল আৰু নাম অঙ্গাৱৱতী।

৬.৪ উক্ত সংস্কৃত পাঠৰ অসমীয়া অনুবাদ

এতিয়া আপুনি স্বপ্নবাসবদত্তম্ নাটকৰ ষষ্ঠ অংকৰ **কাঞ্চুকীয়, ধাত্রী** আৰু প্রতীহাৰীৰ প্রবেশৰ পৰা অংগাৱৱতীৰ ৱার্তা প্রদান পর্য্যন্ত দৃশ্যাংশৰ অসমীয়া অনুবাদ আৰু দ্ৱাদশ শ্লোকৰ পিছৰ পৰা পুনর্মিলন পর্য্যন্তৰ দৃশ্যাংশৰ অসমীয়া অনুবাদো পঢ়িব পাব।

৬.৪.১ কাঞ্চুকীয় ধাত্রী আৰু প্রতীহাৰীৰ প্রবেশৰ পৰা অংগাৱৱতীৰ ৱার্তা প্রদান পর্য্যন্ত

(তাৰ পিছত কাঞ্চুকীয়, ধাত্রী আৰু প্রতীহাৰীৰ প্রবেশ)

কাঞ্চুকীয় — অঃ।

আত্মীয়ৰ ৰাজ্যলৈ আহি অতি আনন্দ পাইছো। কিন্তু ৰাজকন্যাৰ মৃত্যুৰ কথা

স্মৰণ কৰি বিষাদগ্রস্তও হৈছো। দৈব ! (থকাৰ পৰা পুনৰ লাভ কৰা হ'লহেঁতেন)

যদি ৰাজ্য শত্রুৰ হাতত আৰু দেৱীও কুশলে থাকিলহেঁতেন ! (অর্থাৎ দৈৱই ইয়াৰ আধাহে কর্তব্য পালন কৰিছে) (৫)

প্রতীহাৰী — এয়া আমাৰ প্রভু। আর্য, আপুনি অগ্রসৰ হওঁক।

কাঞ্চুকীয় — (অগ্রসৰ হৈ) আর্যপুত্রৰ জয় হওঁক।

ধাত্রী — প্রভুৰ জয় হওঁক।

ৰজা — (সসন্মানে) আর্য ! পৃথিৱীৰ ৰজাসকলৰ উত্থান পতনৰ যিগৰাকী প্রভু আৰু মোৰ আকাংক্ষিত বান্ধৰ সেই ৰজাৰ কুশলনে ? (৬)

কাঞ্চুকীয় — হয় ! মহাসেনৰ কুশল। তেওঁও ইয়াৰ সকলোৰে কুশলবার্তা সুধিছে।

ৰজা — (আসনৰ পৰা উঠি) মহাসেনে কি আজ্ঞা কৰিছে ?

কাঞ্চুকীয় — এয়া বৈদেহীপুত্রৰ বাবে উপযুক্ত (আচাৰ)। তথাপি আপুনি আসনত বহি থাকিয়েই মহাসেনৰ বার্তা শুনক।

ৰজা — মহাসেনে যি আজ্ঞা কৰিছে (বহি লয়)।

কাঞ্চুকীয় — ভাগ্য ক্রমে আপুনি আকৌ শত্রুৰ দ্বাৰা হৃত ৰাজ্য পুনৰ অধিকাৰ কৰিছে। কাৰণ

যিসকল কাতৰ নাইবা অশক্ত তেওঁলোকত উৎসাহ নজন্মে। উৎসাহীসকলেহে প্রায়েই ৰাজলক্ষ্মী ভোগ কৰি থাকে। (৭)

ৰজা — আর্য ! এই সকলো মহাসেনৰ প্রভাৱ। কাৰণ—

মই পূর্বতে পৰাজিত হৈ তেওঁৰ পুত্রসকলৰ লগত (সমভাবে) লালিত পালিত হৈছিলো। তেওঁৰ কন্যাক বলপূর্বক হৰণ কৰিছিলো, কিন্তু ৰক্ষা কৰিব নোৱাৰিলো। তেওঁৰ (কন্যাৰ) মৃত্যু হোৱা বুলি শুনিও তেওঁ (মহাসেনে) মোৰ প্রতি সেই ৰূপ স্নেহ প্রদর্শন কৰিছে। আৰু মই যে মোৰ প্রাপ্য বৎসৰাজ প্রাপ্ত কৰিছো, এই ক্ষেত্রত সেই ৰজাই কাৰণ।

কাঞ্চুকীয় — এয়াই মহাসেনৰ সংবাদ। মহিষীৰ সংবাদ এওঁ (বসুন্ধৰাই) ক'ব।

ৰজা — হে মাতৃ !

যিগৰাকী ষোড়শ পত্নীগনৰ মাজত জ্যেষ্ঠা, পবিত্রা আৰু নগৰ দেৱতা স্বৰূপিনী, মোৰ প্রবাসৰ দুখত কাতৰ, সেই মাতৃ কুশলে আছেতো ! ( )

ধাত্রী — মহিষী সুস্থই আছে, তেওঁ আপোনাৰ সর্বাংগীন কুশলবার্তা সুধিছে।

ৰজা — সর্বাংগীন কুশল ? মাতৃ ! এনেকুৱা কুশল !

ধাত্রী — প্রভু ! অধিক সন্তপ্ত নহ'ব।

কাঞ্চুকীয় — আর্য পুত্র ! আপুনি ধৈর্য ধৰক। আর্যপুত্রৰ এই ধৰণৰ অনুকম্পাৰ বাবে মহাসেন পুত্রী মৃতা হৈও যেন মৃতা নহয়। অথবা

মৃত্যুৰ সময়ত কোনে কাক ৰক্ষা কৰিব পাৰে ? ৰজ্জু ছিন্ন হ'লে কোনে ঘট

ধাৰণ কৰিব পাৰে? এনেদৰে বৃক্ষৰ সমগুণবিশিষ্ট মানুহ সময়ে সময়ে ছিন্ন হয় (মৃত্যু) হয় আৰু অংকুৰিত হয় (জন্মে)। (১০)

ৰজা আৰ্য ! নহয় এনে নহয়।

মহাসেনৰ কন্যা, মোৰ শিষ্যা, পত্নী আৰু প্ৰিয়া, কেনেদৰে তেওঁক মই মৃত্যুৰ পিচতো স্মৰণ নকৰাকৈ থাকিব পাৰিম। (১১)

ধাত্ৰী — মহাৰাণীয়ে কৈছে— বাসবদত্তাৰ মৃত্যু হৈছে। মোৰ বাবে অথবা মহাসেনৰ বাবে গোপালক আৰু পালক যেনেকুৱা তুমিও তেনেকুৱা যিহেতু জামাতা হিচাপে প্ৰথমেই মানি লোৱা হৈছে। এই কাৰণেই উজ্জয়িনীলৈ অনা হৈছিল। অগ্নিৰ সাক্ষী অবিহনে বীনাৰ চলেৰে আমি তেওঁক তোমালৈ দিছিলো। নিজৰ চঞ্চলতাৰ বাবে বিবাহ অবিহনেই গুছি গ'লা। ইয়াৰ পিছত মই তোমাৰ আৰু বাসবদত্তাৰ ছবি চিত্ৰফলকত অংকণ কৰি বিবাহ সম্পন্ন কৰিছিলো। এই চিত্ৰপট তোমাৰ ওচৰলৈ পঠিয়াইছো। সেয়া চাই শান্ত হোৱা।

ৰজা — মহাৰাণীয়ে যি কথা কৈছে সেয়া অতি মধুৰ আৰু (তেওঁৰ) অনুৰূপ।

এই বাক্য শতৰাজ্য প্ৰাপ্তিতকৈও অধিক প্ৰিয় যিয়ে আমি অপৰাধীৰ প্ৰতিও স্নেহ (প্ৰদৰ্শন কৰিবলৈ) পাহৰা নাই। (১২)



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ৰজা মহাসেন আৰু ৰাণী অঙ্গাৰৱতীৰ বাৰ্তা লৈ কাৰকাৰ আগমন হৈছিল?

.....

.....

প্ৰশ্ন নং ২ঃ মহিষী অঙ্গাৰৱতীৰ দ্বাৰা ধাত্ৰীৰ জৰিয়তে ৰজা উদয়নৰ ওচৰলৈ কি পঠিওৱা হৈছিল?

.....

.....

৬.৪.২ দ্বাদশ শ্লোকৰ পিছৰ পৰা পুনর্মিলন পর্য্যন্ত

পদ্মাৱতী — আৰ্যপুত্ৰ ! চিত্ৰত থকা গুৰুজনক অভিবাদন কৰিবলৈ বিচাৰিছো।

ধাত্ৰী — চোৱা, চোৱা, ৰাজকুমাৰী।

পদ্মাৱতী — (চাই লৈ স্বগত) হুঁ ! এওঁ (স্ত্ৰীৰ চিত্ৰ) আৰ্যা আৱন্তিকাৰ লগত দেখিবলৈ অতি একে। (প্ৰকাশ কৰি) আৰ্যপুত্ৰ ! এওঁ (চিত্ৰত থকা স্ত্ৰী গৰাকী) আৰ্যাৰ (বাসবদত্তাৰ) দৰে নেকি?

ৰজা — একে নহয়, মই ভাবো সেইগৰাকীয়েই। উস্ ! দুখৰ কথা !

এই সুন্দৰ বৰণৰ (দেহৰ) ইমান ভয়ংকৰ বিপদ কিদৰে হ'ব পাৰে? মুখমণ্ডলৰএই মধুৰতা অগ্নিৰ দ্বাৰা কিদৰে বিনাশ প্ৰাপ্ত হ'ল? (১৩)

পদ্মাৱতী — (চাই) আৰ্যপুত্ৰৰ চিত্ৰখনি চাই মই আৰ্যাৰ দৰে হয় নে নহয় জানিব পাৰিম।

ধাত্ৰী — ভৰ্ত্তৃ দাৰিকা ! চোৱা, চোৱা।

পদ্মাৱতী — (চাই) আৰ্যপুত্ৰৰ চিত্ৰখনিৰ সাদৃশ্যৰ পৰা মই জানিব পাৰিছো যে এইখন (বাসবদত্তাৰ চিত্ৰ) আৰ্যাৰ দৰেই।

ৰজা — দেৱী ! চিত্ৰ দৰ্শন কৰা সময়ৰ পৰা তোমাক আনন্দিতা আৰু উদ্বিগ্না দেখা গৈছে। এয়া কি?

পদ্মাৱতী — আৰ্যপুত্ৰ ! এই চিত্ৰৰ সদৃশ এগৰাকী ইয়াত বাস কৰে।

ৰজা — কি? বাসবদত্তাৰ দৰে?

পদ্মাৱতী — হয়।

ৰজা — তেন্তে শীঘ্ৰে লৈ আহা।

পদ্মাৱতী — আৰ্যপুত্ৰ ! মোৰ বিবাহৰ আগতে এজন ব্ৰাহ্মণে 'মোৰ ভনী' এনেদৰে কৈ তেওঁক মোৰ দায়িত্বত ৰাখি থৈ গৈছিল। তেওঁ প্ৰোষিত ভৰ্ত্তৃকা, সেয়ে পৰপুৰুষৰ দৰ্শন নকৰে। সেয়ে আৰ্যাই (ধাত্ৰী) চাই লওঁক, একে হয়নে নহয়।

ৰজা — যদি ব্ৰাহ্মণৰ ভগ্নী, নিশ্চয় অইন কোনোবা হ'ব। এই সংসাৰত এজনৰ আনজনৰ লগত ৰূপৰ সাদৃশ্য পোৱা যায়। (১৪)

(প্ৰবেশ কৰি)

প্ৰতীহাৰী — মহাৰাজৰ জয় হওঁক। এইগৰাকী উজ্জয়িনীৰ ব্ৰাহ্মণ 'ৰাণীৰ হাতত মোৰ ভগ্নীক' যাক ন্যাসৰূপে ৰক্ষিত কৰা হৈছিল, তেওঁক ওভতাই নিবলৈ দ্বাৰস্থলত উপস্থিত হৈছে।

ৰজা — পদ্মাৱতী ! সেই একেগৰাকী ব্ৰাহ্মণেই হয়নে?

পদ্মাৱতী — তেওঁৰেই হ'ব লাগে।

ৰজা — অভ্যন্তৰৰ বাবে উপযুক্ত শিষ্টাচাৰৰ প্ৰদৰ্শন পূৰ্বক সেই ব্ৰাহ্মণক শীঘ্ৰে ভিতৰলৈ লৈ আহা।

প্ৰতীহাৰী — মহাৰাজৰ যি আজ্ঞা।

ৰজা — পদ্মাৱতী !তুমিও তেওঁক লৈ আহা।

পদ্মাৱতী — স্বামীৰ যি আজ্ঞা। (প্ৰস্থান কৰে)

(তাৰ পিছত সৌগন্ধৰায়ণ আৰু প্ৰতিহীৰী প্ৰবেশ কৰে)

যৌগন্ধৰায়ণ — (নিজকে) অঃ ! ৰাণীক ৰজাৰ হিতৰ বাবে লুকুৰাই ৰাখি আমাৰ ভালৰ বাবে হ'ব বুলি এই কাৰ্য মই নিজ ইচ্ছামতে কৰিছিলো। যদিও মোৰ কাৰ্য সিদ্ধ হৈছে তথাপি ৰজাই কি ক'ব এই কথাৰ বাবে মোৰ হৃদয় কম্পিত হৈছে। (১৫)

প্রতীহাৰী — এয়া মহাৰাজ। ডাঙৰীয়াই ওচৰলৈ যাওঁক।

সৌগন্ধৰায়ণ — (ওচৰলৈ গৈ) জয় হওঁক। আপোনাৰ জয় হওঁক।

ৰজা — আগতে শুনা কণ্ঠধ্বনি যেন লাগিছে। হে ব্রাহ্মণ ! কি, আপোনাৰ ভনীক পদ্মাৱতীৰ হাতত ন্যাসৰূপে ৰাখিছিল নেকি?

সৌগন্ধৰায়ণ — হয়, হয়।

ৰজা — তেনেহ'লে তাৰাতাৰি কৰা, এওঁৰ ভগ্নীক শীঘ্রে আনা।

প্রতীহাৰী — মহাৰাজৰ যি আজ্ঞা। (ওলাই যায়

(ইয়াৰ পিছত পদ্মাৱতী, আৱন্তিকা আৰু প্রতীহাৰীৰ প্রবেশ)

পদ্মাৱতী — আহা, আহা আর্যা। তোমাক প্রিয় বার্তা এটি দিওঁ।

আৱন্তিকা — কি? কি?

পদ্মাৱতী — তোমাৰ ভ্রাতৃ আহিছে।

আৱন্তিকা — সৌভাগ্যক্রমে, তেওঁ এতিয়াও মোক মনত পেলাইছে।

পদ্মাৱতী (ওচৰলৈ গৈ) আর্যপুত্রৰ জয় হওঁক। এয়া ন্যাস।

ৰজা — পদ্মাৱতী, ওভতাই দিয়া। (কিন্তু) ন্যাস সাক্ষীৰ সন্মুখত ওভতাই দিব লাগে। মাননীয় ৰৈভ্য ইয়াত আছে আৰু (তেওঁ (বসুন্ধৰা) ন্যায়াধীশ হ'ব।

পদ্মাৱতী — আর্যা ! আর্যাক লৈ যাওঁক।

ধাত্রী — (আৱন্তিকাক মনোযোগেৰে লক্ষ্য কৰি) আঃ ! ৰাজকুমাৰী বাসবদত্তা।

ৰজা — কেনেকৈ? মহাসেন পুত্রী ! দেৱী ! পদ্মাৱতীৰ লগত ভিতৰত প্রৱেশ কৰা।

যৌগন্ধৰায়ণ — নহয়, তেওঁ ভিতৰত প্রবেশ কৰিব নালাগে। তেওঁ মোৰ ভগ্নী।

ৰজা — আপুনি কি কৈছে, এয়া মহাসেনপুত্রীহে।

যৌগন্ধৰায়ণ — হে মহাৰাজ,

(আপুনি) ভৰত বংশত সম্ভূত, বিনীত, জ্ঞানী আৰু পবিত্র, সেয়ে

আপুনি — যিগৰাকী ৰাজধর্মৰ প্রবর্তক— বলপূর্বক তেওঁক অপহৰণ কৰাটো উচিত নহয়। (১৬)

ৰজা — থিক আছে, ৰূপৰ সাদৃশ্য চাই লওঁ। অমঙ্গল দূৰ হওঁক।

যৌগন্ধৰায়ণ — মহাৰাজৰ জয় হওঁক।

বাসবদত্তা — আর্যপুত্রৰ জয় হওঁক।

ৰজা — অঃ সেয়া যৌগন্ধৰায়ণ ! এয়া মহাসেনপুত্রী।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৩ঃ চিত্রত থকা বাসবদত্তালৈ চাই পদ্মাৱতীয়ে কাৰ লগত সাদৃশ্য থকা যেন পাইছিল?

.....

.....

প্রশ্ন নং ৪ঃ উজ্জয়িনীৰ ব্রাহ্মণৰ বেশত কাৰ আগমন হৈছিল?

.....

.....

প্রশ্ন নং ৫ঃ ব্রাহ্মণগৰাকী পদ্মাৱতীৰ ওচৰলৈ কিয় আহিছিল?

.....

.....

৬। উদয়ন আৰু বাসবদত্তাৰ পুনর্মিলন সম্ভৱ হ'লনে?

.....

.....

৬.৫ উদয়ন আৰু বাসবদত্তাৰ পুনর্মিলনৰ দৃশ্যৰ বর্ণনা

ষষ্ঠ অংকৰ আ�ৰম্ভণিতে দেখা গৈছে যে বাসবদত্তাৰ পিতৃ-মাতৃৰ দ্বাৰা প্রেৰণ কৰা বৈভ্যগোত্রীয় কাঞ্চুকীয় আৰু বসুন্ধৰা নামৰ ধাত্রীগৰাকীৰ আগমন ঘটিছে। কাঞ্চুকীয়ই বাসবদত্তাৰ পিতৃ ৰজা মহাসেনৰ কুশল বার্তা প্রদান কৰিলে আৰু সকলোৰে কুশল বাতৰি ল'লে। ৰজা উদয়নেও তেওঁৰ প্রতি প্রদর্শন কৰা স্নেহৰ বাবে মহাসেনক কৃতজ্ঞতা প্রদান কৰিলে। তেওঁ পুনৰ কৈছিল যে সেই ৰজা মহাসেনৰ বাবেই তেওঁ বৎসৰাজ্য প্রাপ্ত কৰিছিল।

ইয়াৰ পিছত ধাত্রী বসুন্ধৰাই মহিষী অংগাৰৱতীৰ সংবাদ প্রদান কৰিছিল। যেতিয়া উদয়নে বাসবদত্তাক লৈ বিবাহ অবিহনেই গুছি গৈছিল তেতিয়া মহিষী অংগাৰৱতীয়ে দুয়োগৰাকীৰে ছবি চিত্রফলকত অংকন কৰোৱাই বিবাহ সম্পন্ন কৰিছিল। সেই চিত্রপট তেওঁ ধাত্রীৰ হাতত দি পঠিয়াইছিল। গতিকে সেই চিত্র দর্শন কৰি উদয়নে মনৰ সন্তাপ লাঘৰ কৰিবলৈ সক্ষম হ'ব বুলি মহিষীয়ে আশা কৰিছিল। ইয়াৰ পিছত পদ্মাৱতীয়ে চিত্রত থকা গুৰুজনক শ্রদ্ধা জনাবলৈ লৈ চিত্রত থকা বাসবদত্তাক প্রথমে দর্শন কৰিলে। তেওঁ কৈছিল যে বাসবদত্তাৰ সেই চিত্রৰ সদৃশ এগৰাকী স্ত্রী সেই স্থানতেই আছে। ৰজাই তৎক্ষণাৎ তেওঁক লৈ আহিবলৈ নির্দেশ দিলে।

ইয়াৰ পিছত প্রতীহাৰীৰ দ্বাৰা জনোৱা হ'ল যে উজ্জয়িনীৰ এগৰাকী ব্রাহ্মণৰ আগমন হৈছে। তেওঁ পদ্মাৱতীৰ ওচৰত ন্যাসৰূপে ৰখা তেওঁৰ ভগ্নীক ওভতাই নিবলৈ আহিছে। সেই ব্রাহ্মণগৰাকী আছিল প্রকৃততে যৌগন্ধৰায়ণ। যৌগন্ধৰায়ণে প্রবেশ কৰি ৰজাৰ জয়ধ্বনি দিলে।

সেই কণ্ঠধ্বনি উদয়নৰ অতি পৰিচিত যেন ভাব হ'ল। ইতিমধ্যে তালৈ আৱন্তিকাৰূপী বাসৱদত্তাকো লৈ অহা হ'ল। ৰজাই পদ্মাৱতীক তেওঁৰ ন্যাস ওভতাই দিবলৈ নির্দেশ দিলে। পদ্মাৱতীয়েও সেই নির্দেশ পালন কৰি বাসবদত্তাক ওভতাই নিবলৈ সৌগন্ধৰায়ণক অনুৰোধ জনালে। সেই সময়তে ধাত্রীয়ে আৱন্তিকাক লক্ষ্য কৰি ব্যক্ত কৰিলে যে সেয়া ৰাজকুমাৰী বাসবদত্তা। ৰজা এই কথাত অতিশয় আচৰিত হ'ল। তেওঁও এবাৰ ৰূপৰ সাদৃশ্য চাই ল'বলৈ বিচাৰিলে। বাসবদত্তাই উদয়নৰ জয় কামনা কৰি সেই স্থানত প্রবেশ কৰিলে। যৌগন্ধৰায়ণে বাসবদত্তাক ৰজাৰ পৰা দূৰ কৰি নিয়া বাবে ক্ষমা প্রার্থনা কৰিলে।

এনেদৰে উদয়ন আৰু বাসবদত্তাৰ পুনর্মিলনৰ দৃশ্যটি মহাকবি ভাসে সুন্দৰভাৱে উপস্থাপন কৰি নাটকখনৰ সফল সামৰণি ঘটাইছে।

৬.৬ নাটকখনত ষষ্ঠ অংকৰ গুৰুত্ব

পঞ্চম অংকত বৎস্যৰাজ্য উদ্ধাৰৰ বাবে শত্রুৰ বিৰুদ্ধে কৰা যুদ্ধৰ প্রস্তুতিৰ বিষয়ে অৱতাৰণা কৰা হৈছিল। ষষ্ঠ অংকত যুদ্ধৰ ফলাফল দর্শকসকলক অৱগত কৰা হৈছে আৰু লগতে নায়ক নায়িকাৰ পুনর্মিলন দেখুওৱা হৈছে।

এই অংকৰ আৰম্ভণিতে ৰজা উদয়নে ঘোষৱতী নামৰ বীণাখন প্রাপ্ত কৰি বাসবদত্তাক স্মৰণ কৰি অতিশয় শোকার্ত হৈ আছিল আৰু সেই দৃশ্য অতি মর্মস্পর্শীৰূপত নাট্যকাৰে উপস্থাপন কৰিছে। তদুপৰি বাসবদত্তা আৰু আৱন্তিকা যে একেগৰাকীয়েই সেই কথা প্রতিষ্ঠা কৰিবলৈ নাট্যকাৰে যি চিত্রদর্শনৰ দৃশ্যৰ ইয়াত অৱতাৰণা কৰিছে সেয়া অতি আকর্ষণীয়। এনেদৰেই ইয়াৰ জৰিয়তে উদয়ন আৰু বাসবদত্তাৰ পুনর্মিলনো সংঘটিত কৰাই নাট্যকাৰে নাটকখনৰ সফল সামৰণি ঘটাইছে।



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বপ্নবাসবদত্তম্ নাটকখনিৰ ষষ্ঠ তথা শেষ অংকটিৰ কেইটিমান দৃশ্যৰ মূল সংস্কৃত পাঠৰ লগত পৰিচয় লাভ কৰিলে।
- তদুপৰি উক্ত সংস্কৃত পাঠসমূহৰ অসমীয়া অর্থসমূহৰ বিষয়েও জানিব পাৰিলে।
- ইয়াৰ উপৰিও নায়ক নায়িকাৰ পুনর্মিলনৰ কিদৰে সংঘটিত হ'ল সেই সম্পর্কেও সম্যক ধাৰণা লাভ কৰিলে।



৬.৮ অধিক জানিবলৈ

১) আয়াৰ, এ. এছ. পি. (১৯৫৭), *ভাস*, মাদ্ৰাজ ঃ ভি. ৰামস্বামী সন্তুলু এণ্ড ছন্স।

২) কালে, এম. আৰ. (১৯৮৮), *স্বপ্নবাসবদত্তম্ অৰ ভাস*, দিল্লী ঃ মতিলাল বানাৰসীদাস পাব্লিচাৰছ প্ৰাইভেট লিমিটেড।

৩) পুচলকাৰ, এ. ডি. (১৯৬৮), *ভাস-এ ষ্টাডী*, দিল্লী ঃ মুন্সিৰাম মনোহৰলাল অৰিয়েণ্টল পাব্লিচাৰছ এণ্ড বুকচেলাৰছ।

৪) শৰ্মা, থানেশ্বৰ (১৯৯৫), *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



৬.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ৱৈভ্যগোত্ৰীয় কাঞ্চুকীয় আৰু ধাত্ৰী বসুন্ধৰা।

২ নং প্ৰশ্নৰ উত্তৰঃ উদয়ন আৰু বাসবদত্তাৰ চিত্ৰ।

৩ নং প্ৰশ্নৰ উত্তৰঃ আৱন্তিকাৰ লগত।

৪ নং প্ৰশ্নৰ উত্তৰঃ সৌগন্ধৰায়ণৰ।

৫ নং প্ৰশ্নৰ উত্তৰঃ ন্যাসৰূপে ৰক্ষা তেওঁৰ ভগ্নীৰূপে পৰিচয় দিয়া বাসবদত্তাক ওভতাই নিবলৈ।

৬ নং প্ৰশ্নৰ উত্তৰঃ হয়, উদয়ন আৰু বাসবদত্তাৰ পুনর্মিলন হ'ল।



৬.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ উজ্জয়িনীৰ ৰজা আৰু মহিষীয়ে উদয়নৰ ওচৰলৈ কি বাৰ্তা প্ৰেৰণ কৰিছিল?

খ) চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ষষ্ঠ অংকত বৰ্ণিত পুনর্মিলনৰ দৃশ্যৰাজি নিজৰ ভাষাত উপস্থাপন কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ সমগ্ৰ নাটকখনত ষষ্ঠ অংকৰ গুৰুত্ব সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ঃ ষষ্ঠ অংকৰ সাৰাংশ নিজৰ ভাষাত লিখক।

*** ***** ***